গৌহাটি উচ্চ ন্যায়ালয়ত
(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**ডব্লিউ পি(চি) ৬৮৫৮/২০২২**

অঞ্জুমা খাতুন, স্বামী- ওমৰ ফাৰুক,
সাং- গাওঁ- চেনিবাৰী, ডাক আৰু থানা- ধুলা, জিলা- দৰং, অসম।
(পুৰণি সাং- পশ্চিম পদ্দা ঘাট, থানা- ধুলা, জিলা-দৰং, অসম।)

........ আবেদনকাৰী

-বনাম-

১. অসম ৰাজ্যৰ হৈ অসম চৰকাৰৰ সচিব, গৃহ বিভাগ, দিচপুৰ, গুৱাহাটী – ৭৮১০০৬।
২. আৰক্ষী অধীক্ষক, মঙ্গলদৈ, জিলা-দৰং, অসম।
৩. ভাৰপ্ৰাপ্ত বিষয়া, ধুলা থানা, ধুলা, জিলা-দৰং, অসম।
৪. মুকিবৰ ৰহমান তালুকদাৰ, পিতা- ৰাজীৱ আলী, সাং- গাওঁ-পশ্চিম পদ্দা ঘাট, জিলা-দৰং, অসম।
৫. ৰাজীৱ আলী, পিতা- স্বৰ্গীয় আবুল হুছেইন, সাং- গাওঁ-পশ্চিম পদ্দা ঘাট, জিলা- দৰং, অসম।
৬. শিশু কল্যাণ সমিতিৰ হৈ জিলা শিশু কল্যাণ বিষয়া, দৰং, অসম।
৭. আবেথান, বিষয়া-তথা-জিলা শিশু কল্যাণ বিষয়া, দৰং, ভেৰাৰ-ঘাট, থানা- মঙ্গলদৈ, জিলা- দৰং, অসম – ৭৮৪১২৫।

........ উত্তৰদাতা

**মাননীয় মুখ্য ন্যায়াধীশ**
**মাননীয় ন্যায়াধীশ শ্ৰীযুত সুমন শ্যামৰ**
**- সাক্ষাতে -**

আবেদনকাৰীৰ পক্ষত: শ্ৰীযুত এ. চৌধুৰী, অধিবক্তা।

উত্তৰদাতাৰ পক্ষত: (উত্তৰদাতা নং ১-৩)-ৰ হৈ
শ্ৰীযুত ডি. নাথ, জ্যেষ্ঠ চৰকাৰী অধিবক্তা, অসম
: (উত্তৰদাতা নং ৪-৫)-ৰ হৈ
শ্ৰীযুত ডি.কে. বাগচী, অধিবক্তা।
ৰায়ৰ তাৰিখ আৰু আদেশ: **২০ ফেব্ৰুৱাৰী, ২০২৩**।

## ৰায় আৰু আদেশ (মৌখিক)

(মুখ্য ন্যায়াধীশ)

১. আবেদনকাৰী আঞ্জুমা খাতুনে ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নং ২২৬-ৰ অধীনত এই লেখ আবেদন দাখিলৰ দ্বাৰা- হাবিয়াছ কৰ্পছ (বন্দীপ্ৰত্যক্ষীকৰণ) লেখ জাৰী কৰিছে আৰু তাই তাইৰ পিতৃ-মাতৃ, ভায়েকৰ অমানৱীয় অত্যাচাৰৰ সন্মুখীন হোৱাৰ অভিযোগৰ পৰিপ্ৰেক্ষিতত তাইক তাইৰ পিতৃ-মাতৃৰ ঘৰৰ অবৈধ জিম্মাৰ পৰা মুকলি কৰাৰ নিৰ্দেশনা বিচাৰিছে।

2. বৰ্তমানৰ আবেদনখনৰ নিষ্পত্তিৰ বাবে প্ৰাসঙ্গিক আৰু অত্যাৱশ্যকীয় চমু তথ্য তলত উল্লেখ কৰা হ'ল। আবেদনকাৰীয়ে পলাই গৈ ০৫.০৭.২০২২ তাৰিখে ওমৰ ফাৰুক- নামৰ এজনৰ সৈতে চুক্তিবদ্ধ বিবাহ সম্পন্ন কৰে। ধুলা আৰক্ষী থানাত ছোৱালীজনীৰ পৈতৃক পৰিয়ালৰ সদস্যসকলে মঃ ওমৰ ফাৰুকৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল আৰু তদন্তৰ সময়ত, আবেদনকাৰীক বিচাৰি উলিওৱা হৈছিল আৰু ছোৱালীজনীক সংশ্লিষ্ট (চি.ডব্লিউ.চি.) শিশু কল্যাণৰ ওচৰত উপস্থিত কৰাৱা হয়। অনুসন্ধানৰ সময়ত যেতিয়া আদালতে ছোৱালীজনীৰ বিবৃতি নথিভুক্ত কৰে, সেই সময়ত তাই স্পষ্টভাৱে তাইৰ জন্মৰ তাৰিখ ০৩.০৭.২০০৪ বুলি কৈছিল। এই বিবৃতিৰ সমৰ্থনত, সংশ্লিষ্ট বিদ্যালয়ৰ দস্তাবেজ অৰ্থাৎ মাধ্যমিক বিদ্যালয়ৰ প্ৰমাণপত্ৰ জমা কৰা হৈছিল। পিছৰ সময়ত মঃ ওমৰ ফাৰুকক আটক কৰা

হৈছিল। তাৰপিছত, ছোৱালীজনীৰ জিম্মা শিশু কল্যাণ সমিতি, দৰং-ৰ দ্বাৰা অভিভাৱকক সমজাই দিয়া হৈছে। অৱশ্যে, তাৰ পিছতো তাই পুনৰ পলাই যায়। পুনৰ ধুলা আৰক্ষী থানাত আন এখন এজাহাৰ নং ২২০/২০২২ পঞ্জীয়ন কৰা হ'ল। পুনৰ ছোৱালীজনীক বিচাৰি উলিয়াই আৰু এইবাৰ, তাইক চাইল্ড কেয়াৰ ইনষ্টিটিউট (শিশু কল্যাণ প্ৰতিষ্ঠান), দৰং লৈ প্ৰেৰণ কৰা হৈছে। অৱশ্যে, ছোৱালীজনীৰ জিম্মা তাইৰ পিতৃ-মাতৃক সমজাই দিয়া হয়, য'ত তাই তাইৰ মাক দেউতাকৰ অবৈধ জিম্মাৰ পৰা মুক্তিৰ প্ৰাৰ্থনাৰে মুকলি কৰাৰ নিৰ্দেশনা বিচাৰি, শিৰোনামত উল্লিখিত ধৰণে এই আদালতত লেখ আবেদন কৰিছে। আবেদনকাৰীয়ে এই অভিযোগ কৰিছে যে, তাইক তাইৰ দেউতাক (উত্তৰদাতা নং ৫) আৰু ভাতৃ (উত্তৰদাতা নং ৪)-এ অত্যাচাৰ কৰি আছিল আৰু তেওঁলোকে তাইৰ জীৱন আৰু শৰীৰৰ প্ৰতি ভাবুকি আনিছে।

৩. সংখ্যাগৰিষ্ঠ দাবীৰ সমৰ্থনত, আবেদনকাৰী ৩০.০৭.২০২১ তাৰিখৰ (পৰিশিষ্ট-১) মাধ্যমিক শিক্ষা পৰিষদ, অসমৰ দ্বাৰা জাৰি কৰা প্ৰমাণপত্ৰৰ ওপৰত নিৰ্ভৰ কৰিছে, য'ত তাইৰ জন্মতাৰিখ ০৩.০৭.২০০৪ বুলি লিপিবদ্ধ কৰা হৈছে। লেখ আবেদনৰ লগত পৰিশিষ্ট-২ হিচাপে ০৫.০৭.২০২২-ৰ বিবাহপ্ৰমাণপত্ৰৰ প্ৰতিলিপি দাখিল কৰা হৈছে, য'ত আবেদনকাৰীৰ জন্মতাৰিখ ০৩.০৭.২০০৪ বুলি উল্লেখ কৰা হৈছে।

৪. লেখ আবেদনৰ পৰ্যালোচনাৰ পিছত এই আদালতে উত্তৰদাতা পক্ষক এই আদালতৰ আগত কৰ্পছ (বন্দী) হাজিৰ কৰিবলৈ নিৰ্দেশ দিছে। ১১.১১.২০২২ তাৰিখে এই আদালতক অৱগত কৰা হৈছিল যে, কৰ্পছ (বন্দী)-জন প্ৰাপ্তবয়স্ক আৰু তাইক গুৱাহাটীৰ জালুকবাৰীস্থিত মহিলাৰ বাবে থকা গৃহত ৰখা হৈছে। নিৰ্দেশৰ পুনৰাবৃত্তি কৰাৰ পিছত নিৰ্দেশনা অনুসৰি

ছোৱালীজনীক আদালতত হাজিৰ কৰোৱা হৈছিল আৰু তাইৰ স্বামী সৈতে যাবলৈ আদালতত তাই দ্বি-মত নথকা ইচ্ছা প্ৰকাশ কৰিছিল লগতে তাইক তাইৰ পিতৃ-মাতৃৰ লগত পঠোৱা পৰামৰ্শটোও অগ্ৰাহ্য কৰে। তাইক মহিলাসকলৰ ৰাজ্যিক গৃহত ৰখা কাৰ্য বাহাল আছিল, য'ত তাই বৰ্তমানেও আছে। যুক্তি প্ৰদান সম্পূৰ্ণ হৈছে।

৫. কৰ্পছ(বন্দী) আবেদনকাৰীক প্ৰতিনিধিত্ব কৰা পৰামৰ্শদাতাই জমা কৰা বিদ্যালয়ৰ দস্তাবেজবোৰৰ ভিত্তিত চূড়ান্তভাৱে প্ৰতিষ্ঠা কৰে যে, তাই মঃ ফাৰুক ওমৰৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱা সময়ত প্ৰাপ্তবয়স্ক আছিল। তেওঁ উপস্থাপন কৰে যে, ছোৱালীজনীৰ ভাতৃ আৰু দেউতাক অৰ্থাৎ ক্ৰমান্বয়ে উত্তৰদাতা নং ৪ আৰু ৫-এ নিৰ্ভৰ কৰা নথিপত্ৰবোৰৰ কোনো প্ৰমাণিক ভিত্তি নাই কিয়নো, ২০১৫ চনৰ জুভেনাইল জাষ্টিছ কেয়াৰ এণ্ড প্ৰোটেকচন অৱ চিল্ড্ৰেণ [কিশোৰ ন্যায়(যত্ন আৰু শিশুৰ সুৰক্ষা) আইন], (ইয়াৰ পিছত "২০১৫ আইন" বুলি উল্লেখ কৰা হৈছে)-ৰ ধাৰা ৯৪ অনুসৰি, হাইস্কুল শিক্ষান্ত পৰীক্ষাত লিপিবদ্ধ কৰা বয়সৰ প্ৰমাণপত্ৰক আন প্ৰয়োজনীয় দস্তাবেজৰ বয়সতকৈ অগ্ৰাধিকাৰ দিব লাগিব। তেওঁ আহ্বান জনাইছে যে, ছোৱালীজনীক মহিলাৰ ৰাজ্যিক গৃহৰ পৰা মুকলি কৰিবলৈ তৎক্ষণাৎ আদেশ জাৰি কৰিব লাগিব আৰু তাইক তাইৰ স্বামীৰ সৈতে যাবলৈ অনুমতি দিব লাগে।

৬. আনহাতে, উত্তৰদাতা নং ৪ আৰু ৫-ক প্ৰতিনিধিত্ব কৰা বিদ্বান পৰামৰ্শদাতাই তীব্ৰভাৱে উপস্থাপন কৰিছিল যে, মাধ্যমিক বিদ্যালয়ৰ প্ৰমাণপত্ৰ অনুসৰি লিপিবদ্ধ কৰা ছোৱালীজনীৰ জন্মৰ তাৰিখ অশুদ্ধ। এই বিবাদৰ সমৰ্থনত বিদ্বান পৰামৰ্শদাতাই নিম্নলিখিত নথিপত্ৰসমূহৰ ওপৰত নিৰ্ভৰ কৰিছিল-

(১) ১০.১০.২০১৭ তাৰিখৰ স্বাস্থ্য সেৱা বিভাগ, অসম চৰকাৰে জাৰি কৰা জন্মৰ প্ৰমাণপত্ৰ, য'ত ছোৱালীজনীৰ জন্মতাৰিখ ৩১.১২.২০০৫ হিচাপে লিপিবদ্ধ কৰা হৈছে;

(২) ধনশিৰিখাহ পশ্চিম চুব্বা প্ৰাথমিক বিদ্যালয়, জিলা- দৰঙে জাৰি কৰা প্ৰমাণপত্ৰত ছোৱালীজনীৰ জন্মৰ তাৰিখ ০১.১২.২০০৫ হিচাপে নথিভুক্ত কৰা হৈছে;

(৩) আধাৰ কাৰ্ডত ছোৱালীজনীৰ জন্মৰ তাৰিখ ৩১.১২.২০০৫ হিচাপে লিপিবদ্ধ কৰা হৈছে।

৭. এই নথিপত্ৰবোৰৰ আধাৰত উত্তৰদাতা নং ৪ আৰু ৫-ৰ পৰামৰ্শদাতাই দাবী কৰিছিল যে, এনেদৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰমাণপত্ৰত থকা জন্মৰ তাৰিখ ছোৱালীজনীৰ ইতিবাচক বয়সৰ প্ৰমাণ হিচাপে বিবেচনা কৰিব নোৱাৰি আৰু, যিহেতু ছোৱালীজনী প্ৰাপ্তবয়স্ক নহয়, সেয়েহে প্ৰতিপালন প্ৰতিষ্ঠানত থাকিব পাৰিব অথবা তাইক তাইৰ দেউতাকৰ অভিভাৱকত্বক সমজাই দিব লাগিব।

৮. চৰকাৰী পৰামৰ্শদাতাই ব্যক্তিগত উত্তৰদাতাৰ পৰামৰ্শদাতাৰ যুক্তি গ্ৰহণ কৰিছিল আৰু আবেদনখন খাৰিজ কৰিব বিচাৰিছিল।

৯. পুনৰ উল্লেখত আবেদনকাৰীৰ বিজ্ঞ পৰামৰ্শদাতাই ০২-০১-২০১৬ তাৰিখে শ্যামতিলা প্ৰাক্-জ্যেষ্ঠ মাদ্ৰাছাৰ দ্বাৰা জাৰি কৰা স্থানান্তৰ প্ৰমাণপত্ৰৰ প্ৰতি আদালতৰ দৃষ্টি আকৰ্ষণ কৰে, য'ত ছোৱালীজনীৰ জন্মতাৰিখ ০৩-০৭-২০০৪ বুলি কোৱা হৈছে।

১০. অধিবক্তাৰ যুক্তি আমি বিবেচনা কৰিছো আৰু উক্ত বিবেচনাৰ মাজেৰে দস্তাবেজ লগতে পক্ষবোৰৰ মত চালিজাৰি চাইছো।

১১. আৰম্ভণিতে আমি এই প্ৰসংগ উল্লেখ কৰিব বিচাৰিছো যে, ২০১৫-ৰ আইনৰ ধাৰা নং ৯৪-ৰ অধীনত ব্যক্তি এজনৰ জন্মতাৰিখ নিৰ্ধাৰণৰ প্ৰক্ৰিয়া যিকোনো শিশু প্ৰতিপালন প্ৰতিষ্ঠানৰ সাক্ষাতে প্ৰস্তুত কৰা হয় বুলি উল্লেখ আছে। ২০১৫-ৰ আইনৰ ধাৰা ৯৪(২)ৰ অধিনিয়মে এই কথা সন্দেহাতীতভাৱে স্পষ্ট কৰে যে, এই ধাৰাত দিয়া বিকল্পবোৰ প্ৰাথমিক প্ৰয়োজনৰ ক্ৰমত সজ্জিত কৰা হৈছে। লগতে বিদ্যালয়ৰ প্ৰমাণপত্ৰ বা হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰদান কৰা প্ৰমাণপত্ৰক অগ্ৰাধিকাৰ দিব লাগে আৰু যদি এনে কোনো নথিপত্ৰ উপলব্ধ নহয়, পৌৰসভাই জাৰি কৰা জন্মতাৰিখৰ প্ৰমাণপত্ৰ উল্লেখ কৰিব পাৰে। অগ্ৰাধিকাৰৰ ক্ৰমত অন্তিমটো হ'ল- অচিফিকেচন টেষ্ট (বয়স নিৰ্ধাৰণৰ পৰীক্ষা)।

১২. আপাতদৃষ্টিত, হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰমাণপত্ৰৰ (পৰিশিষ্ট-১) সত্যতা সম্পৰ্কে সন্দেহ কৰিবলৈ এই গোচৰৰ নথিত কোনো যুক্তি নাই। তাইৰ প্ৰাপ্তবয়স্ক হোৱাৰ দাবীৰ সমৰ্থনত আবেদনকাৰীয়ে পৰিশিষ্ট-১ ওপৰত নিৰ্ভৰ কৰে। এইকথা কোৱাৰ প্ৰয়োজন নাই যে, ছোৱালীজনীক বিদ্যালয়ত ভৰ্তি কৰোৱাৰ দায়িত্ব তাইৰ মাক দেউতাকৰ। সেয়েহে, গোচৰৰ বিভিন্ন নথিত থকা জন্মৰ তাৰিখৰ বিসংগতিৰ বৰ্ণনাৰ দায়িত্ব উত্তৰদাতাৰ ওপৰত ন্যস্ত হৈ থাকিব। উত্তৰদাতা নং ৪ আৰু ৫-এ এফিদেফিত ইন ৰিপ্লাইৰ লগত জমা দিয়া নথিপত্ৰৰ সত্যতাত আমাৰ গভীৰ সন্দেহ আছে। উত্তৰদাতা নং ৪ আৰু ৫-এ জমা দিয়া জন্মৰ প্ৰমাণপত্ৰই [এফিদেফিত ইন অপচিচন(বিৰোধীৰ শপতনামা)-ৰ পৰিশিষ্ট-১] ছোৱালীজনীৰ জন্মৰ তাৰিখ ৩১-১২-২০০৫ বুলি লিপিবদ্ধ কৰে। এই দস্তাবেজত উল্লেখ কৰা পঞ্জীয়ন নম্বৰটো ২০১৩বৰ্ষৰ, আনহাতে, দস্তাবেজখন জাৰি কৰা বৰ্ষ- ২০১৭। বিদ্যালয়ৰ প্ৰমাণপত্ৰত [এফিদেফিত ইন অপচিচন(বিৰোধীৰ শপতনামা)-ৰ

পৰিশিষ্ট-২] ছোৱালীজনীৰ জন্মৰ তাৰিখ ০১-১২-২০০৫ বুলি লিপিবদ্ধ কৰা হৈছে।

১৩. আপাতদৃষ্টিত, আবেদনকাৰীৰ প্ৰাপ্তবয়স্কতাৰ দাবীৰ বিতৰ্কৰ ক্ষেত্ৰত নিৰ্ভৰ কৰা দস্তাবেজবোৰ স্ববিৰোধী লগতে গ্ৰহনযোগ্য নহয়। ইয়াৰ বিপৰীতে, আবেদনকাৰীয়ে নিশ্চিত কৰিছে যে, ৰিজইনদাৰ এফিদেফিত(পক্ষভুক্তকৰণ শপতনামা)-ৰ লগত ০২-০১-২০১৬ আৰু ০৪-০৩-২০১৯ তাৰিখৰ স্থানান্তৰ প্ৰমানপত্ৰ সংলগ্ন কৰি তাইৰ জন্মতাৰিখ ০৩-০৭-২০০৪ বুলি যুক্তি উপস্থাপন কৰিছে।

১৪. অন্যথা, আন যিকোনো দস্তাবেজৰ বিপৰীতে বিদ্যালয়ৰ প্ৰমাণপত্ৰ বা শিক্ষান্ত পৰীক্ষাৰ প্ৰমাণপত্ৰত সূচিত জন্মতাৰিখক প্ৰাধান্য দিব লাগিব। এইক্ষেত্ৰত **উত্তৰ প্ৰদেশ ৰাজ্য আৰু অন্যান্য, (২০২২)৮এছ.চি.চি. ৬০২**-ত শীৰ্ষআদালতৰ ৰায়ৰ উদ্ধৃতি উল্লেখ কৰিব পাৰি।

১৫. ইতিমধ্যে কৰা আলোচনাৰ পৰিপ্ৰেক্ষিতত, আমাৰ দৃঢ়মত এইয়ে যে, আবেদনকাৰী জন্মৰ তাৰিখ- ০৩-০৭-২০০৪ আৰু প্ৰাপ্তবয়স্ত হোৱাৰ বাবে তাইক প্ৰতিপালন প্ৰতিষ্ঠানত বন্দী কৰাটো সম্পূৰ্ণৰূপে অবৈধ। আবেদনকাৰীগৰাকী আজিৰ তাৰিখত প্ৰাপ্তবয়স্ত হোৱা বাবে, তাইক তৎক্ষণাৎ গুৱাহাটী, জালুকবাৰীৰ মহিলাৰ বাবে থকা ৰাজ্যিক গৃহৰ পৰা মুকলি কৰিব লাগে। সংশ্লিষ্ট আৰক্ষী অধীক্ষকে নিশ্চিত কৰিব যে, আবেদনকাৰীক তাই মনেবিচৰা ঠাইলৈ সুৰক্ষিতভাৱে লৈ যোৱা হয়। এই সন্দৰ্ভত আজিৰ পৰা ৭(সাত) দিনৰ ভিতৰত এক কোমপ্লায়েন্স ৰিপৰ্ট (কাৰ্যকৰী প্ৰতিবেদন) এই আদালতৰ পঞ্জীয়ক (ন্যায়িক)লৈ প্ৰেৰণ কৰা হওঁক।

১৬. ওপৰোক্ত পৰ্যৱেক্ষণ আৰু নিৰ্দেশনাৰ সৈতে, লেখ আবেদনৰ অনুমতি দিয়া হৈছে।

ন্যায়াধীশ                                                    মুখ্য ন্যায়াধীশ

মুকুট

তুলনা কৰা সহায়ক

---------------------------------------------

অনুবাদক- ড. অৰ্চনা দেৱী, অনুবাদ শাখা, গৌহাটী উচ্চন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়নৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)